بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১ ফেব্রুৱাৰীত বায়তুল ফতুহ মৌৰডন (বৃটেইনত) প্রদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আঁহজৰত (ছাঃ) ৰ মহান মৰ্যদা সম্পন্ন চাহাবী হজৰত আবু হুযায়ফা বিন উতবা (ৰাঃ) ৰ ঈমান উদ্দীপক ঘটনাৰ মনোগ্ৰাহী প্ৰাঞ্জল বিৱৰণি।

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) যে কয় যে আজি যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হ'ল হজৰত আবু হুযায়ফা বিন উতবা (ৰাঃ)। তেখেত (ৰাঃ) বৰ ওখ আৰু দেখনীয়াৰ লোক আছিল। আঁহজৰত (ছাঃ) য়ে দ্বাৰে আৰকামত প্ৰবেশ কৰাৰ আগতেই ইছলাম গ্ৰহন কৰিছিল। মুঠতে প্ৰথমে ঈমান স্থাপন কাৰী সকলৰ মাজৰ এজন আছিল। তেখেত (ৰাঃ) ৰ বিষয়ে বৰ্ণনা কৰোঁতে হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে আবু হুযায়ফা বিন উতবা উমিয়া বংশৰ লোক আছিল। তেখেত (ৰাঃ) ৰ দেউতাকৰ নাম আছিল উতবা বিন ৰবিআহ। কুৰাইছ সকলৰ চৰদাৰৰ মাজৰ এজন আছিল। হজৰত আবু হুযায়ফা (ৰাঃ) দুয়োবাৰেই হাবশালৈ কৰা হিজৰতত অংশ গ্ৰহন কৰিছিল আৰু তেখেত (ৰাঃ) ৰ পত্নী হজৰত ছহিলা বিনতে ছাহিল তেখেতৰ লগত হিজৰত কৰিছিল। যেতিয়া মুছলমান সকলৰ ওপৰত জুলুম অত্যাচাৰৰ সীমা চেৰাই গৈছিল আৰু কুৰাইছ সকলে নিজৰ অত্যাচাৰৰ প্ৰৱন্ধতা বঢ়াই দিছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে মুছলমান সকলক কৈছিল যে তোমালোকে হাবশালৈ হিজৰত কৰি যোৱা, আৰু কৈছিল যে হাবশাৰ ৰজা জন ন্যায় বিচাৰক, তাৰ শাসনাধীনত থকা সকলৰ ওপৰত জুলুম অত্যাচাৰ নহয়। সেই মৰ্মে আঁহজৰত (ছাঃ) য়ে নিৰ্দেশ অনুসৰি ৰজৱ পাচঁ নববীত ১১ জন পুৰুষ আৰু চাৰিজনী মহিলায় হাবশালৈ হিজৰত কৰিছিল। সেই দলত আবু হুযায়ফা বিন উতবাও আছিল। যেতিয়া এই মুহাজেৰিন সকলে দক্ষিন ফালে আগুৱাই গৈ শ্বোয়াইবা নামৰ ঠাইত উপস্থিত হৈছিল, যি ঠাইখন সেই যুগত আৰবৰ এখন প্ৰসিদ্ধ বন্দৰ আছিল তেতিয়া আল্লাহ তায়লাৰ এনেকুৱা কৃপা অৱতীৰ্ণ হৈছিল যে তেওঁলোকে হাবশালৈ যাত্ৰা কৰিছিল। হাবশালৈ গৈ মুছলমান সকলে বৰ নিৰাপদ জীৱণ লাভ কৰিছিল আৰু খোদা খোদা উচ্চাৰি কুৰাইছৰ অত্যাচাৰৰ পৰা ৰেহাই পাইছিল। কিন্তু যেনেকৈ আছে যে কিছুমান লিখকে বৰ্ণনা কৰিছে যে মুছলমান সকলে হাবশালৈ যোৱাৰ বেছি দিন হোৱা নাছিল, এটা উৰা বাতৰি তেওঁলোকে শুনা পাইছিল যে কুৰাইছ সকলে মুছলমান হৈ গৈছে আৰু মক্কাত সম্পুৰ্ণ ৰূপে শান্তি প্ৰতিৰ্ষ্ঠিত হৈছে। এই খবৰৰ পৰিপ্ৰেক্ষিতে মুহাজেৰিন সকলৰ বেছি ভাগেই ভৰা-চিন্তা নকৰাকৈ মক্কালৈ ঘুৰি আহিছিল।

কিন্তু যেতিয়া তেওঁলোকে আহি মক্কাৰ ওচৰ পাইছিল তেতিয়া আচল খবৰটো গম পাইছিল। যাৰ ফলত কিছুমানে লুকাই পলাই আৰু কিছুমানে শক্তিশালী কুৰাইছ চৰদাৰৰ ৰক্ষণা বেক্ষণত মক্কাত আহি উপস্থিত হৈছিল আৰু কেইজন মানে আকৌ হাবশালৈ ঘুৰি গৈছিল। যিহেতু কুৰাইছ সকলৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গৈছিল সেই হেতুকে আঁহজৰত (ছাঃ) ৰ উপদেশ অনুযায়ী বেলেগ মুছলমান সকলেও সংগোপনে হিজৰতৰ নিমিত্তে সাজু হবলৈ লৈছিল আৰু সুবিধা বুজি ওলাই পৰিছিল। অৱশেষত এই হিজৰত কাৰীৰ সংখ্যা অৰ্থাৎ মোহাজিৰিনে হাবশাৰ সংখ্যা এশ হৈছিল গৈ। ইয়াৰ মাজত ওঠৰ জনী মহিলা আছিল। ইফালে মক্কাত আঁহজৰত (ছাঃ) ৰ লগত মাত্ৰ অলপ কেইজন মুছলমান ৰৈ আছিল। এই হিজৰতক কিছুমান ইতিহাসবিদে হিজৰতে হাবশা ছানিয়া বুলি উল্লেখ কৰি থৈ গৈছে। পিছত যেতিয়া হিজৰতে মদিনাৰ অনুমতি দিয়া হৈছিল তেতিয়া আবু হুযায়ফা বিন উতবা (ৰাঃ) আৰু ছালম, যিজন তেখেতৰ মুক্তি প্ৰাপ্ত দাস আছিল, দুয়োজনে মদিনালৈ গুচি গৈছিল। এখেত দুয়োজনে মদিনালৈ গৈ হজৰত ওবাদ বিন বশিৰ (ৰাঃ) ৰ ঘৰত থাকিবলৈ লৈছিল। আঁহজৰত (ছাঃ) য়ে হজৰত আবু হুযায়ফা (ৰাঃ) আৰু হজৰত ইবাদ বিন বশিৰৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। হজৰত আবু হুযায়ফা (ৰাঃ) হজৰত আব্দুল্লাহ বিন জুহাশৰ নেতৃত্বত যোৱা দলৰ লগতও অংশ গ্ৰহন কৰিছিল। এই বিষয়ে বৰ্ণনা আছে যে এবাৰ মক্কাৰ এজন চৰদাৰ কুৰজ বিন জাবেৰ বিন ফুহেৰিয়ে কুৰাইছৰ এটা দল

লগত লৈ বৰ দক্ষতাৰে সচৰিত হৈ মদিনাৰ এখন পুৰণি ভুমিত যি মক্কাৰ পৰা তিনি মাইল আঁতৰত অৱস্থিত আক্ৰমণ চলাইছিল আৰু মুছলমান সকলৰ উট আদি লুটিলৈ উদাও হৈছিল। আঁহজৰত (ছাঃ) য়ে এই খবৰ পাই ততালিকে জায়েদ বিন হাৰছা (ৰাঃ) ক আমিৰ নিযুক্ত কৰি মুহাজেৰিন সকলৰ এটা জমাত সিঁহতৰ পিছ লববলৈ পঠাইছিল। উক্ত দলটোৱে বদৰৰ কাষতে থকা এখন ঠাই ছফুৰান লৈকে সেই কুৰাইছৰ দলটোক খেদি গৈছিল কিন্তু তেওঁলোকে কোনো মতে পলাই সাৰিছিল। এই যুদ্ধকেই বদৰৰ প্ৰথম যুদ্ধ বুলি আখ্যা দিয়া হয়। কুৰজ বিন জাবেৰৰ এই আক্ৰমণ এটা সাধাৰণ বেদুইনি লুট পাটৰ আক্ৰমণ নাছিল, বৰং তেওঁ নিশ্চয় কুৰাইছ সকলৰ ফালৰ পৰা মুছলমান সকলৰ বিৰুদ্ধে এটা বিশেষ পৰিকল্পনা ৰচি আহিছিল। যথা সম্ভৱ তাৰ উদ্দেশ্য আছিল আঁহজৰত (ছাঃ) ৰ ব্যক্তি গত ক্ষতি সাধন কৰা। কিন্তু মুছলমান সকলক সচেতন দেখা পাই এওঁলোকৰ উট বিলাক লট কৰি হাত কোচাই লৈছিল। ইয়াৰ পৰা এয়াও অনুমান কৰিব পাৰি যে কুৰাইছে মক্কা এয়া পৰিকল্পনা লৈছিল, যাতে মদিনাৰ ওপৰত লুট-মাৰ চলাই মুছলমান সকলক নিঃশেষ কৰি দিব পৰা যায়। কুৰজ বিন জাবেৰৰ এই অৰ্তকিত আক্ৰমনে মুছলমান সকলৰ মাজত আতংক সঞ্চাৰ কৰিছিল কাৰণ কুৰাইছৰ চৰদাৰ সকলে আগৰে পৰাই ভাবুকি দিছিল যে তেওঁলোকে মদিনাৰ ওপৰত আক্ৰমণ চলাব আৰু মুছলমান সকলক নিসঁচ কৰি পেলাব। সেয়ে মুছলমান সকলে সদায় চিন্তাত মগ্ন থাকিছিল আৰু এই বিপদ গমি চাই আঁহজৰত (ছাঃ) য়ে সিদ্ধান্ত লৈছিল যে কুৰাইছ সকলৰ আচাৰ-আচৰণ যাতে নিচেই কাষৰ পৰা গম লৱ পৰা যায়। গতিকে উদ্দেশ্যৰে আঁহজৰত (ছাঃ) য়ে মুহাজেৰিন সকলৰ আঠজনীয়া এটা দল গঠন কৰিছিল আৰু কামটো সহজ হোৱাৰ নিমিত্তে এই দলটোত এনেকুৰা লোকক লৈছিল, যি সকলে কুৰাইছ সকলৰ বিভিন্ন গোত্ৰৰ লগত সম্পৰ্কিত আছিল যাতে তেওঁলোকে কুৰাইছ সকলৰ গোপন ষড়যন্ত্ৰ সম্পৰ্কে গম লৱ পাৰে। হজৰত আব্দুল্লাহ বিন জুহাজ, আঁহজৰত (ছাঃ) ৰ পেহাত ভাইয়েকক উক্ত দলৰ আমিৰ নিযুক্ত কৰিছিল। এই দলটোত হুযায়ফা বিন উতবাও চামিল আছিল।

মদিনাৰ পৰা দু-দিনৰ বাট অতিক্ৰম কৰাৰ পিছত আঁহজৰত (ছাঃ) ৰ নিৰ্দেশ অনুসৰি এই আঠজনীয়া দলটোৱে মক্কা আৰু তায়েফৰ মধ্যবৰ্ত্তী ঠাই নখলাৰ ফালে যাবলৈ আৰম্ভ কৰিছিল। বাটতে ছঈদ বিন আবি উকাছ আৰু উতবা বিন গজওৱানৰ উট হেৰাই গৈছিল। তেওঁলোকে দুয়ো সেই উট বিচাৰি বিচাৰি গৈ লগৰীয়া সকলক হেৰাই পেলাইছিল। বহু খোজ-বিচৰাৰ পিছতো এওঁলোক একেলগ হব পৰা নাছিল আৰু দলটো অৱশেষত ছয়জনৰে হৈ পৰিছিল। মুছলমান সকলৰ এই সৰু জমাতটো নখলাত গৈ উপস্থিত হৈছিল আৰু নিজৰ কামত ব্যাস্ত হৈ পৰিছিল। এওঁলোকৰ কিছুমানে কাফিৰ সকলৰ গোপন অভিসন্ধিৰ গম লববলৈ নিজৰ মূৰৰ চুলি খুৰাই লৈছিল যাতে বাটৰুৱা সকলে ভাৱে যে এওঁলোকেও উমৰাৰ নিমিত্তে গৈ আছে। মুছলমান সকলৰ এই সৰু জমাতটো তাত গৈ উপস্থিত হোৱাৰ বেছি দিন হোৱা নাছিল এনেতে হঠাৎ এদিন কুৰাইছ সকলৰ এটা সৰু দল তায়েফৰ পৰা মক্কা অভিমুখে গৈ আছিল আৰু তেতিয়া এই দুয়ো দলৰ মুখামুখি দেখা হৈ গৈছিল। কুৰাইছৰ দলৰ লোকে এওঁলোকক চিনি পাইছিল যে এওঁলোক মুছলমান। তেতিয়া কুৰাইছৰ দলটোৱে এই মুছলমান জমাতটোৰ সৈতে যুদ্ধ কৰাৰ সিদ্ধান্ত লয়। মুছলমান সকলেও নিজৰ মাজত আলোচনা কৰিবলৈ লয় যে এতিয়া কি কৰা উচিত হব। কাৰণ আঁহজৰত (ছাঃ) য়ে তেওঁলোকক গুপ্তচৰ হিচাপে খবৰ লববলৈ হে পঠাইছে। কিন্তু ইফালে দুয়ো পক্ষৰ মাজত লড়াই আৰম্ভ হৈ গৈছিল, দুয়ো পক্ষই পৰস্পৰে সন্মুখা সন্মুখী হৈছিল। মুছলমানৰ দলটোৱে সন্দেহ কৰিছিল যে এতিয়া কুৰাইছৰ দলৰ লোক সকলে মুছলমান সকলক দেখা পাইছে গতিকে এই গুপ্তচৰী কথাটো লুকাই নেথাকে। আকৌ সেই মুছলমান কেইজনৰ কিছুমানে ভাৱিছিল যে এয়া পাকিজা মাহৰ শেষ সময়, আৰবৰ পৰম্পৰা মতে এই মাহত লড়াই কৰা উচিত নহয়। আনফালে নখলাৰ এই অঞ্চল পবিত্ৰ অঞ্চলৰ অন্তৰ্গত। ইখিনি কথা ভাবি চিন্তিলৈ ছয়জনীয়া মুছলমানৰ দলটোৱে সিদ্ধান্ত লৈছিল যে কুৰাইছৰ দলটোক আক্ৰমণ কৰি হয় সিহঁতক বন্ধী কৰা হওঁক নহলে মাৰি পেলোৱা হওঁক। গতিকে এই বুলি তেওঁলোকে আল্লাহৰ নামত শৰণ দি আক্ৰমন চলাইছিল। যাৰ ফলত কাফিৰ সকলৰ এজন লোক যাৰ নাম আছিল ওমৰু বিন আল হজৰমি নিহত হৈছিল আৰু আন দুজনক কয়েদ (বন্ধী) কৰিছিল আৰু চতুৰ্থজন পলাই সাৰিছিল। ইয়াৰ পিছত মুছলমান সকলে সেই কাফিৰ সকলৰ বস্তু বাহিনী জব্দ কৰি লৈছিল। যিহেতু কুৰাইছ সকলৰ এজন তাৰ পৰা পলাই যাবলৈ সক্ষম হৈছিল গতিকে বিশ্বাস আছিল যে এই

লড়াইৰ খবৰ অতি সোনকালে মক্কা পাব। সেয়ে আব্দুল্লাহ বিন জুহাশ আৰু তাৰ লগৰীয়া সকলে গনিমতৰ মাল গোটাই লৈ আনি বেগেৰে মদিনালৈ বুলি যাত্ৰা কৰিছিল।

আঁহজৰত (ছাঃ) য়ে যেতিয়া জানিব পাৰিছিল যে এই চাহাবা সকলে কাফিৰ সকলৰ দল এটাক আক্ৰমণ কৰিছিল তেতিয়া তেখেত (ছাঃ) য়ে বৰ বেজাৰ পাইছিল। তেখেত (ছাঃ) য়ে কৈছিল যে মই তোমালোকক সেই পবিত্ৰ চহৰত কাজিয়া কৰাৰ অনুমতি দিয়া নাছিলো আৰু লগতে সেই গনিমতৰ মাল গ্ৰহন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু কৈছিল যে মই সেইবোৰৰ একোকে নলওঁ। তেতিয়া আব্দুল্লাহ আৰু তাৰ লগৰীয়া সকলে বৰ হতাশ হৈছিল আৰু ভাবিছিল যে এতিয়া আমি খোদা আৰু তাৰ ৰছুলৰ অসন্তুষ্টিৰ কাৰণে ধংস হৈ গলো। আনফালে কুৰাইছ সকলেও প্ৰতিবাদ কৰিবলৈ ধৰিলে যে মুছলমান সকলে পবিত্ৰ চহৰৰ পবিত্ৰতা নষ্ট কৰিছে। অৱশেষত কোৰ-আনী অহি অৱতীৰ্ণ হৈ মুছলমান সকলৰ মনত প্ৰবোধ আনিছিল।

গতিকে ইতিহাসৰ পৰা প্ৰমানিত হয় যে কুৰাইছৰ চৰদাৰ সকলে ইছলামৰ বিৰুদ্ধে হত্যাকাণ্ডৰ পৰিকল্পনা পবিত্ৰ মাহতও সমানেই চলাই গৈছিল। গতিকে আল্লাহ তায়লা কোৰ-আন চৰিফত এই উত্তৰ প্ৰদান কৰিছে, যাৰ ফলত মুছলমান সকলে মনত প্ৰবোধ আনিছিল আৰু কুৰাইছ সকলেও অলপ স্তব্দ হৈছিল। মুছলমান সকলে বন্ধী কৰি অনা লোক দুজনক আঁহজৰত (ছাঃ) য়ে ফিদিয়া লৈ পেলাই মুক্ত কৰি দিছিল। কিন্তু সেই বন্ধী দুজনৰ এজনে মদিনাত থকা কালীন আঁহজৰত (ছাঃ) ৰ পবিত্ৰ চৰিত্ৰ আৰু ইছলামী শিক্ষাৰ সত্যতাত এনেকুৰা প্ৰভাৱিত হৈছিল যে তেওঁক মুক্ত কৰি দিয়াৰ পিছত মক্কালৈ ঘুৰি যাবলৈ অস্বীকাৰ কৰিছিল আৰু আঁহজৰত (ছাঃ) ৰ হাতত বয়াত কৰি মুছলমান হৈ গৈছিল আৰু তেখেত (ছাঃ) ৰ বস্তি বণ্ডদাত থাকিবলৈ লৈছিল। অৱশেষত এখেত (ৰাঃ) য়ে বীৰে মাওনাত গৈ শ্বহীদ হৈছিল। এখেত (ৰাঃ) ৰ নাম আছিল হাকাম বিন কায়ছান। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত হুযায়ফা (ৰাঃ) ৰ বিষয়ে এয়াও উল্লেখ আছে যে বদৰৰ যুদ্ধৰ দিনা এখেতে নিজৰ দেউতাকৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰি আগুৱাই গৈছিল কাৰণ তেখেতৰ দেউতাকে মুছলমান হোৱা নাছিল আৰু কাফিৰ সকলৰ হৈ যুদ্ধ ক্ষেত্ৰলৈ আহিছিল। কিন্তু ৰছুলুল্লাহ (ছাঃ) য়ে হুযায়ফাক তালৈ বাধা দিছিল আৰু কৈছিল যে তুমি তাক এৰি দিয়া, অইন কোনোবায় তেওঁক হত্যা কৰিব। গতিকে কোৱা মতেই তেখেত (ৰাঃ) ৰ দেউতা,খুৰা, ভাই, আৰু ভতিজা সকলোৰেই যুদ্ধত নিহত হৈছিল। হজৰত আবু হুযায়ফা বৰ ধৈৰ্য্য ধাৰণ কৰিছিল আৰু আল্লাহৰ সন্তুষ্টিত সন্তুষ্ট থাকি আল্লাহ তায়লাৰ সেই সহায়ৰ শলাগ লৈছিল, যি আল্লাহ তায়লায় ৰছুলুল্লাহ (ছাঃ) ৰ পক্ষত প্ৰদৰ্শন কৰিছিল অৰ্থাৎ বিজয় দান কৰিছিল। এই ঘটনাৰ লগতে আৰু এটা ৰোৱায়েত আছে, যি ইবনে আববাছ ৰোৱায়েত কৰিছে যে বদৰৰ যুদ্ধৰ দিনা আঁহজৰত (ছাঃ) য়ে কৈছিল যে তোমালোকৰ মাজত যাৰ লগত আববাছৰ সৈতে মোকাবিলা হয়, তেওঁ আববাছক হত্যা নকৰিবা কাৰণ তেওঁ বাধ্যত পৰি যুদ্ধলৈ আহিছে, তাক বন্ধী বনাই লবা, হত্যা নকৰিবা। যেতিয়া এই কথা হজৰত হুযায়ফা (ৰাঃ) ৰ কানত পৰিছিল তেতিয়া তেখেতে কৈছিল যে কিয়,আমি আমাৰ বাপ, ভাই আৰু আত্মীয় সকলক হত্যা কৰিব লাগিব কিন্তু আববাছক এৰি দিব লাগিব ! এয়া কেনেকুৱা কথা ? খোদাৰ শপত ! যদি তেওঁ মোৰ সন্মুখত আহে তেন্তে মই তাৰ ওপৰত তৰোৱাল চলাম। আঁহজৰত (ছাঃ) য়ে যেতিয়া হজৰত আবু হুযায়ফাৰ এই উক্তি শুনিবলৈ পাইছিল তেতিয়া তেখেত (ছাঃ) ক কৈছিল যে ইয়া আবা হফশা-হে আবু হাফশা, ৰছুলে খোদাৰ খুৰাদেউৰ শৰীৰত তৰোৱালেৰে আঘাত হানি দিয়া হব। হজৰত ওমৰ (ৰাঃ) য়ে আবেদন কৰিছিল, ইয়া ৰছুলুল্লাহ ! মোক তাৰ ডিঙি কটাৰ অনুমতি দিয়ক। খোদা তায়লাৰ শপত ! তাৰ মাজত শত্ৰুতাৰ গোন্ধ পোৱা যায়। আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ক সেয়া কৰিবলৈ নিষেধ কৰিছিল। হজৰত আবু হুযাফা (ৰাঃ) য়ে নৰ্ণনা কৰিছে যে মই সিদিনা কোৱা কথা খিনিৰ বেয়া ফলৰ পৰা শান্তিত থাকিব নোৱাৰিছিলো যে কিজানি ইয়াৰ পাপত মোৰ শ্বহীদি মৃত্যু ভাগ্যত নহয়। ৰাবী বৰ্ণনা কৰিছে যে ইমামাৰ যুদ্ধত তেখেত (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল।

হজৰত আয়শা (ৰাঃ) ৰ পৰা ৰোৱায়েত আছে যে ৰছুলুল্লাহ (ছাঃ) য়ে নিহত মুশৰিক সকলক এটা গাতঁত দলিয়াই পেলাবৰ আদেশ দিছিল গতিকে তাত পেলাই দিয়া হৈছিল। এয়া দেখি হজৰত আবু হুজায়ফা (ৰাঃ) ৰ মুখমণ্ডলত অপছন্দৰ (বেজাৰ) ভাৱ ফুটি উঠিছিল কাৰণ তেখতে (ৰাঃ) ৰ দেউতাকৰ লাচও কুঁৱাত পেলোৱা হৈ আছিল। আঁহজৰত (ছাঃ) য়ে কৈছিল হে হুযায়ফা ! খোদা তায়লাৰ কছম ! মোৰ এনেকুৱা অনুমান হৈ আছে যে তোমাৰ দেউতাকৰ সৈতে

যি আচৰণ কৰা হৈ আছে সেয়া তোমাৰ বেয়া লাগি আছে। হজৰত আবু হুযায়ফা (ৰাঃ) য়ে উত্তৰ দিছিল -হে আল্লাহৰ ৰছুল, খোদাৰ কছম ! আল্লাহ আৰু আল্লাহৰ ৰছুলৰ প্ৰতি মোৰ কোনো সন্দেহ নাই। কিন্তু মোৰ দেউতা সহানুভুতিশীল, সঁচা আৰু প্ৰজ্ঞাবান ব্যাক্তি আছিল। কিন্তু তাৰ মনোভাৰ বেয়া নাছিল আৰু মই বিচাৰিছিলো যে আল্লাহ তাৰ মৃত্যুৰ আগত তাক ইছলামৰ ফালে হিদায়েত দান কৰক। কিন্তু যেতিয়া মই দেখিলো যে এয়া আৰু সম্ভৱ নহয় আৰু তাৰ এয়া পৰিণতি হল। গতিকে তাৰ পৰিণতিয়ে মোক দুখী বনাইছে। তেতিয়া আঁহজৰত (ছাঃ) য়ে হুযায়ফা লৈ দোৱা কৰিছিল। হজৰত হুজায়ফা (ৰাঃ) য়ে সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগ দিয়াৰ তৌফিক লাভ কৰিছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত ইমামাৰ যুদ্ধত ৫৪ বছৰ বয়সত শ্বহীদ হৈছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মই এতিয়া আমাৰ জমাতৰ এজন খাদিমে ছিলছিলা বুজুৰ্গ প্ৰফেছৰ ছঈদ আহমদ খান চাহাব দেহলবীৰ বিষয়ে উল্লেখ কৰিম। যোৱা কেইদিন মান আগত তেখেতৰ মৃত্যু হৈছে। ২০১৯ চনৰ ২১ জানুৱাৰীত তেখেতৰ মৃত্যু হৈছে ‘‘ইন্না লিল্লাহি ওয়া ইন্না লিল্লাহি ৰাজিউন’’। এখেতৰ দেউতা হজৰত মহম্মদ হাচান এহেচান দেহলবী হজৰত মছিহ মাওউদ (আঃ)ৰ চাহাবী আছিল। এনেদৰে এখেতৰ ককা দেউতা হজৰত মেহমুদ হাচান খান চাহাব মুদাৰৰিছ পাটিয়ালাও হজৰত মছিহ মাওউদ (আঃ) ৰ চাহাবী আছিল। হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ ৩১৩ জন আচহাবৰ দেউতা হজৰত মহম্মদ এখেতৰ নাম সন্নিবিষ্ট কৰিছে। প্ৰফেছৰ ছঈদ খান চাহাবৰ দেউতা হজৰত মহম্মদ হাচান এহেচান দেহলবীয়ে ১০ আৰু ১২ বছৰ বয়সত কাদিয়ানত গৈ খোতবা ইলহামিয়াৰ সময়ত এই সৰ্ব উচ্চ মৰ্যদা সম্পন্ন নিদৰ্শন নিজ চকুৰে চোৱা সৌভাগ্য লভিছিল। প্ৰফেচৰ ছঈদ খান চাহাবে ১৯৪৫ চনৰ এপ্ৰিল মাহত নিজকে ওয়াকফে কৰিছিল। এখেতে আলিগড় বিশ্ব বিদ্যালয়ৰ পৰা ফাৰ্চ্টত অনাৰ্ছলৈ বি-এ পাছ কৰিছিল। তেখেতৰ সৈতে তেখেতৰ ভায়েকৰ ওয়াকফে সম্পৰ্কে উল্লেখ কৰোঁতে হজৰত হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে ১৯৫৫ চনত এখন খোতবাত কৈছিল মই ভাৱো যে মাষ্টাৰ মহম্মদ হাচান এহচান চাহাবে এনে আদৰ্শ দেখুৱাইছে সেয়া প্ৰশংসাৰ যোগ্য। তেওঁ এজন সাধাৰণ শিক্ষক আছিল বৰ দৰিদ্ৰ লোক আছিল। তেওঁ দুখে-ভোগে থাকি নিজৰ সন্তানক পঢ়োৱাইছিল আৰু গ্ৰেজুৰেট বনাইছিল। তেওঁৰ সাত জন পুতেকৰ চাৰিজনক এই ছিলছিলাত সাপ দিছিল। তেওঁলোকে চাৰিওজনে দ্বীনৰ সেৱা আগবঢ়াই আছে। হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ) য়ে তেওঁক ১৯৫০ চনত ঘানা পশ্চিম আফ্ৰিকাত দ্বীনৰ সেৱাৰ্থে পঠাইছিল। ১৯৫০ চনত পূৰ আৰু পশ্চিম আফ্ৰিকাত আৰু হলেগুলৈ আঠজন মোবাল্লিগ পঠাইছিল। যাৰ সম্পৰ্কে তেহেৰিকে আহমদীয়তত তেওঁৰ নাম তালিকাৰ প্ৰথম স্থানত জিলিকি আছে। ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে প্ৰকৃতে যিখিনি মৰহুমৰ বিষয়ে লিখা হৈছে আচলতে তাৰ ইয়াতকৈ বেছি গুণাৱলী আছিল। খিলাফতৰ সৈতে তেখেতৰ গভীৰ সম্পৰ্ক আছিল আৰু প্ৰেম ভালপোৱা আছিল। আল্লাহ তায়লা মৰহুমৰ সতি-সন্তানক খিলাফত আৰু আহমদীয়তৰ সৈতে সম্পৰ্কিত ৰাখক। আল্লাহ তায়লা মৰহুমৰ মৰ্যদা উন্নীত কৰক। নমাজে জুমাৰ পিছত মৰহুমৰ নমাজে জানাজা গায়েব পঢ়া হব। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 1 Feb.. 2019**

To

**(BOOK POST PRINTED MATTER)**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844